**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

***Headlines***

১। এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থবৰ্গৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ বিতৰণ।

২। চিৰাং জিলাৰ বিজনীৰ থেংফাখ্ৰী ফৌথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশন।

৩। জাপানিজ এনকেফেলাইটিছৰ সংক্ৰমণ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰতিষেধক প্ৰদান কাৰ্যসূচী।

আৰু

৪। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি।

০০০০০০০

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৱন্নন, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত আছে। অনুষ্ঠানত ভাষণ দি শ্ৰী মণিৱন্ননে নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক শুভেচ্ছা জনায়।

বাইট

এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

০০০০০০০

———চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ বড়ো সাহিত্য সভা ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে ডঃ মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰে। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ, প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হ'ব। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ

সমসাময়িক আৰ্থ-সামাজিক জীৱন অন্বেষণ’ শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ’ব। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ’ব। কাইলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ’ব। পৰহিলৈ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

0000000

জাপানিজ এনকেফেলাইটিছৰ সংক্ৰমণ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰতিষেধক প্ৰদান কাৰ্যসূচী চলি আছে। এই কাৰ্যসূচীৰ অংশ হিচাপে ধুবুৰী জিলাত প্ৰাপ্তবয়স্কসকলৰ বাবে বিনামূলীয়াকৈ জাপানিজ এনকেফেলাইটিছৰ প্ৰতিষেধক প্ৰদান কৰি থকা হৈছে। ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সহকাৰী সঞ্চালক ডাঃ সবিতা দাস আৰু অতিৰিক্ত আয়ুক্ত ৰিপনজ্যোতি নাথে কালি প্ৰতিষেধক প্ৰদান কাৰ্যসূচী শুভাৰম্ভ কৰে। জিলাখনৰ মুখ্য স্বাস্থ্য বিষয়াই জনোৱা মতে ২১ জানুৱাৰীলৈ চলিবলগীয়া এই অভিযানৰ অধীনত ১৫ বছৰ ঊৰ্ধৰ সকলো নাগৰিকক বিনামূলীয়াকৈ প্ৰতিষেধক দিয়া হ’ব। ধুবুৰীত জিলাত ৮ লাখ ৭৯ হাজাৰ ৭৫২ জন লোকক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

শ্ৰীভূমি জিলাতো কালিৰে পৰা ১৫ বছৰৰ পৰা ৬৫ বছৰৰ লোকসকলৰ বাবে জাপানিজ এনকেফেলাইটিছৰ বিনামূলীয়া প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

0000000

ৰাজ্যৰ বিভিন্ন অংশত অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা প্ৰস্তুতৰ আয়োজন কৰিছে।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চিৰাং জিলা গোটৰ উদ্যোগত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত কাজলগাঁৱৰ বজাৰৰ বাকৰিত কালি সন্ধিয়াৰে পৰা তিনি দিনীয়াকৈ অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই উদ্বোধন কৰা এই ভোগালী মেলাত চিডলী-চিৰাং আৰু বড়ো বজাৰ খণ্ড উন্নয়ন এলেকাৰ ৩১টা আত্মসহায়ক গোটে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইতো ভোগালী বিহুক আদৰাৰ প্ৰস্তুতি পৰিলক্ষিত হৈছে। জিলাখনৰ শাস্ত্ৰী নগৰ ভোগালী বিহু উদযাপন সমিতিয়ে এইবাৰ ৪৫ ফুট উচ্চতাৰ মেজি সাজি উলিয়াইছে। ভোগালী বিহুৰ উৰুকাৰ দিনা বিভিন্ন থলুৱা খেল-ধেমালি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনাইছে। ডিব্ৰুগড় জিলাৰ ৰহমুৰীয়া অঞ্চলৰ বৰতিচুক গাঁৱত পূৰ্বৰ পৰম্পৰা অনুসৰি মাঘ বিহু উদযাপনৰ আয়োজন কৰা হৈছে। গাঁওখনৰ যুৱকসকলে একত্ৰিত হৈ জাতীয় সাজপাৰ পিন্ধি একোখনকৈ খৰিৰ ভাৰ নৈৰ পাৰৰ পৰা মুকলি পথাৰলৈ আনি ভেলাঘৰ আৰু ভোজভাত খোৱাৰ পৰম্পৰা অতীজৰে পৰা চলি আহিছে। এইবাৰো সকলোৱে আনন্দ-উল্লাসেৰে এই পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে।

0000

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱাৰ ভাগত জিলা আয়ুক্ত ডাঃ নেহা যাদৱে মহোৎসৱৰ মুখ্য তোৰণ উদ্বোধন কৰে। উদযাপন সমিতিৰ সভাপতি তথা সোণাৰী সমষ্টিৰ

বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে পতাকা উত্তোলন কৰাৰ পাছত স্বৰ্গদেউসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই মহোৎসৱৰ বিষয়ে সবিশেষ জনাইছে আমাৰ চৰাইদেউ জিলাৰ সংবাদদাতা নবুল কোঁৱৰে –

বাইট

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

0000000

জাগীৰোডৰ জোনবিলৰ পাৰত অহা ২২ৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে এতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইতিমধ্যে ইয়াৰ বাবে প্ৰস্তুতি চলাইছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। ২২ তাৰিখৰ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। সেইদিনাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ২৩ জানুৱাৰীৰ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

0000000

অসমীয়া গদ্য সাহিত্যৰ জনক, সমাজ সংস্কাৰক বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ পূণ্যতিথিত আজি ৰাজ্যবাসীয়ে শ্ৰদ্ধা নিবেদন কৰিছে। শিক্ষা আৰু আধ্যাত্মিক চিন্তা-চেতনাৰে বৃহত্তৰ অসমীয়া সমাজক একতাৰ জৰীৰে বান্ধিবলৈ প্ৰয়াস কৰা ভট্টদেৱৰ অমূল্য সৃষ্টিৰাজিয়ে অসমক চহকী কৰি থৈ গৈছে। কথা-গীতা, কথা-ভাগৱত, কথা-ৰত্নাৱলী, শৰণ মালিকা, গুৰু বংশাৱলী আদি গ্ৰন্থ ৰচনাৰে তেওঁ অসমীয়া গদ্য সাহিত্যৰ ভেটি সুদৃঢ় কৰি গৈছে।

0000000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত শ্ৰীভূমি জিলা কৃষক পঞ্জীয়ন সন্দৰ্ভত জিলাখনৰ জিলা কৃষি বিষয়া ছফিকুল ইছলামৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

0000000

শিৱসাগৰৰ বগীদ'লত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয়। চাইকেল আৰোহী জমিৰউদ্দিন আলী নামৰ লোকজনক ডাম্পাৰে মহতিয়াই নিয়াৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয় বুলি আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনাইছে। নিহত জমিৰউদ্দিন আলী বয়স আছিল ৬৮ বছৰ।

0000000

**সমাপ্ত**